# দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাই সন্দৰ্ভত জাননী

তাৰিখঃ ২৯/০৫/২০১৯

অসম চৰকাৰে অদ্যপৰিমিত বিনামূলীয়া নামভৰ্ত্তি সন্দৰ্ভত কোনো নিৰ্দেশনা জাৰি কৰা নাই। **যদি চৰকাৰৰ পৰা প্ৰয়োজনীয় নিৰ্দেশনা পোৱা যায় তেন্তে নীতি অনুসৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব। সেয়েহে বিনামূলীয়া নামভৰ্ত্তিৰ সুবিধা গ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্ত্তিৰ সময়ত প্ৰয়োজনীয় নথি-পত্ৰসমূহ দাখিল কৰিবলৈ জনোৱা হ'ল।** সেই অনুসৰি মাচুল ৰেহাইৰ বাবে তলত উল্লেখ কৰা নিয়মসমূহ ছাত্ৰ-ছাত্ৰীয়ে মানি চলিব লাগিব।

১) ছাত্ৰ/ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ বছৰেকীয়া আয় এক লাখ বা তাতকৈ কম হ'ব লাগিব।

২) মাচুল ৰেহাই বিচৰা ছাত্ৰ/ছাত্ৰীৰ পিতৃ-মাতৃ বা অভিভাৱক কোনো ৰাজ্যিক/ কেন্দ্ৰীয়/অৰ্দ্ধ ৰাজ্যিক/কেন্দ্ৰীয় অথবা ৰাজ্যিক চৰকাৰৰ দ্বাৰা শাসিত কোনো অনুষ্ঠানৰ কৰ্মচাৰী নহয় বুলি ছাত্ৰ/ছাত্ৰীগৰাকীয়ে মহাবিদ্যালয় কৰ্তৃপক্ষক লিখিতভাৱে জনাব লাগিব।

৩) স্থানীয় ৰাজহ চক্ৰ বিষয়াৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয়ৰ প্ৰমাণপত্ৰ জমা দিব লাগিব।

৪) ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত চাকৰি কৰা পিতৃ-মাতৃ বা অভিভাৱকে নিয়োগকৰ্তাৰ পৰা বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ দিব লাগিব।

৫) ব্যৱসায়ীক প্ৰতিষ্ঠানৰ মালিক পিতৃ-মাতৃ বা অভিভাৱকে ২০১৮ চনৰ আয়কৰ বিভাগৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

৬) মাচুল ৰেহাই বিচৰা ছাত্ৰ/ছাত্ৰীয়ে নিজা বাসগৃহ অথবা ৰাজহুৱা স্থানত একোটাকৈ গছপুলি ৰোপন কৰি থকাৰ প'ষ্টকাৰ্ড জোখৰ আলোকচিত্ৰ মহাবিদ্যালয় কৰ্তৃপক্ষক জমা দিব লাগিব।

৭) মাচুল ৰেহাই বিচৰা ছাত্ৰ/ছাত্ৰীয়ে **লেমিনেচন নকৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নম্বৰ তালিকা (Original Marksheet)** দাখিল কৰিব লাগিব। তেনে ছাত্ৰ-ছাত্ৰীৰ নম্বৰ তালিকাৰ পিছফালে মোহৰ মাৰি দিয়া হ'ব।